# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 24-05-2025

**Time :** 1715 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

অসম আৰক্ষীয়ে দেশ বিৰোধী মন্তব্য কৰা লোকৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। এই অভিযানৰ অধীনত এই পৰ্যন্ত ৭৬ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। শেহতীয়াকৈ নলবাৰী, দক্ষিণ শালমাৰা মানকাচৰ আৰু কামৰূপ আৰক্ষীয়ে ক্ৰমে কুৰবান আলী, আমিৰুল ইছলাম আৰু ৰছিদ শিকদাৰক দেশ বিৰোধী কাৰ্যকলাপৰ বাবে গ্ৰেপ্তাৰ কৰিছে। সামাজিক মাধ্যমত পাকিস্তানক সমৰ্থন কৰি প'ষ্ট দিয়াৰ অভিযোগত লোককেইজনক গ্ৰেপ্তাৰ কৰা হয়। এই বিষয়ে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে।

০০০০০

মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি জম্মু-কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীৰ হাতত নিহত হোৱা উত্তৰ প্ৰদেশৰ কানপুৰৰ শুভম দ্বিবেদীৰ বাসগৃহত উপস্থিত হয়। মন্ত্ৰীগৰাকীয়ে প্ৰয়াত শুভম দ্বিবেদীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। তেওঁ লগতে অসম চৰকাৰৰ তৰফৰ পৰা আগবঢ়োৱা ৫ লাখ টকাৰ চেক দ্বিবেদীৰ পৰিয়ালবৰ্গক অৰ্পণ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ যোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানৰ জৰিয়তে কাইলৈ দিনৰ ১১ বজাত দেশ-বিদেশৰ লোকৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব আকাশবাণীৰ মাহেকীয়া অনুষ্ঠানটোৰ ১২২ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কত প্ৰচাৰিত হ'ব। এই অনুষ্ঠান AIR News ৱেবছাইট আৰু News on AIR ম'বাইল এপযোগেও শুনিব পৰা যাব। এয়াৰ নিউজ, ডিডি নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলত এই অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হ'ব। হিন্দী প্ৰচাৰৰ ঠিক পাছতে আকাশবাণীৰ বিভিন্ন কেন্দ্ৰই মন কী বাতৰ আঞ্চলিক ৰূপান্তৰ প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই এই অনুষ্ঠানৰ অসমীয়া ভাঙনি প্ৰচাৰ কৰিব।

০০০০০

খাদ্য, অসামৰিক আৰু যোগান বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে দুদিনীয়া ভ্ৰমণসূচীৰে চিৰাং জিলাত উপস্থিত হৈ আজি বিজেপিৰ দলীয় নেতা-কৰ্মীৰ সৈতে মত বিনিময় কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে দুদিনীয়া ভ্ৰমণসূচীত জিলাখনত ৭খনকৈ মণ্ডল পৰ্যায়ৰ সভাত অংশগ্ৰহণ কৰিব। মন্ত্ৰী শ্ৰীৰায়ে আজি নিচিমা মণ্ডলত অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে কাজলগাঁৱত ব্লক পৰ্যায়ৰ এখন কৰ্মীসভাতো তেওঁ অংশগ্ৰহণ কৰে।

০০০০০

কার্বি আংলং জিলাৰ খটখটীত আৰক্ষীয়ে চলোৱা অভিযানত মাদক দ্ৰব্যসহ এজন সৰবৰাহকাৰীক আটক কৰিছে। খটখটী আৰক্ষীয়ে চলোৱা অভিযানত এখন ট্ৰাকৰ গোপন চেম্বাৰত লুকুৱাই অনা মৰফিন জব্দ কৰা হৈছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে উত্তৰ প্ৰদেশৰ এজন লোকক গ্ৰেপ্তাৰ কৰে। উদ্ধাৰ কৰা মাদক দ্ৰব্যখিনিৰ মূল্য ৫ কোটি টকা হ'ব বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে। মণিপুৰৰ পৰা উত্তৰ প্ৰদেশ অভিমুখে গৈ থকা অৱস্থাত ট্ৰাকখন জব্দ কৰা হৈছে।

ooooo

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ কুকুৰমাৰাত আজি সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত বাল্য বিবাহ, শিশু শ্ৰমিক আৰু মাদক দ্ৰব্যৰ বিৰুদ্ধে সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হয়। কুকুৰমাৰা আঞ্চলিক ছাত্ৰ সন্থা আৰু ৰাইজৰ সহযোগত আয়োজিত সজাগতামূলক কাৰ্যসূচী অনুসৰি পদযাত্ৰা কৰা হয়। এই পদযাত্ৰা কাৰ্যসূচীত জিলা আছু বিষয়ববীয়াৰ লগতে শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী দিনকেইটাত সংবাদ মাধ্যমৰ ভূমিকা শীৰ্ষক এটা বিশেষ আলোচনা প্ৰচাৰ কৰিব। ইয়াত ভাগ ল'ব বিশিষ্ট গৱেষক, তেজপুৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° চন্দন শৰ্মা আৰু সংবাদ মাধ্যম বিশেষজ্ঞ ৰামন বৰাই। অনুষ্ঠানটিৰ আঁত ধৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

ooooo

সদৌ অসম দবা সন্থাৰ উদ্যোগত আজিৰে পৰা গুৱাহাটীত অসম দবা প্ৰিমিয়াৰ লীগ অনুষ্ঠিত হৈছে। উদ্যোগপতি সঞ্জীৱ নাৰায়ণে উদ্বোধন কৰা প্ৰতিযোগিতাখনত ৮টা দলে অংশগ্ৰহণ কৰিছে। প্ৰতিযোগিতাখনত ৫ জন গ্ৰেণ্ডমাষ্টাৰ আৰু ৭ জন ইণ্টাৰনেচনেল মাষ্টাৰসহ ৫৬ গৰাকী খেলুৱৈয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। আজিৰ উদ্বোধনী অনুষ্ঠানত সৰ্বভাৰতীয় দবা সন্থাৰ মুখ্য কাৰ্যবাহী বিষয়া অজিত কুমাৰ বাৰ্মা, জি এম ডি এৰ উপাধ্যক্ষ মুকুতা ডেকা আৰু অসম দবা সন্থাৰ সাধাৰণ সম্পাদক ৰাজীৱ ধৰ উপস্থিত থাকে।

ooooo

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে আজি সমাগত ইংলেণ্ড ভ্ৰমণসূচীৰ বাবে ভাৰতৰ টেষ্ট দলটো ঘোষণা কৰিছে। শুভমন গিল নেতৃত্বাধীন জাতীয় দলটোত ছাই সুদৰ্শন নতুন মুখ হিচাপে স্থান লাভ কৰিছে। আনহাতে দীৰ্ঘদিনৰ মূৰত জাতীয় টেষ্ট দলত কৰুণ নায়াৰে স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। উইকেট ৰক্ষক-বেটাৰ ঋষভ পণ্টক উপ-অধিনায়ক হিচাপে ৰাষ্ট্ৰীয় নিৰ্বাচক মণ্ডলীয়ে নিযুক্তি দিছে। দলটোত ছাই সুদৰ্শন, কৰুণ নায়াৰৰ লগতে পেচ বলাৰ অৰ্শ্বদীপ সিং, বেটাৰ অভিমন্যু ইশ্বৰণে সুযোগ লাভ কৰিছে। ৰোহিত শৰ্মা আৰু বিৰাট কোহলীৰ অৱসৰৰ পাছত ভাৰতীয় টেষ্ট ক্ৰিকেটৰ এটা নতুন যুগ আৰম্ভ হ'ব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে অহা ২০ জুনৰ পৰা ইংলেণ্ডৰ বিৰুদ্ধে ভাৰতৰ টেষ্ট ক্ৰিকেট শৃংখলা অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত